**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-02-2026
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***
**----------------------------**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ কাছাৰত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় মুকলি।
২। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দিত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ।
৩। কলিয়াবৰত ৫০ খন বিচনাযুক্ত আয়ুষ চিকিৎসালয় আৰু আইন মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন। *আৰু*
৪। বিশ্বনাথ জিলাত কৃষি বিভাগ আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা চমুকৈ আত্মাৰ সহযোগত আজিৰে পৰা দুদিনীয়া কৃষক মেলা।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কাছাৰ জিলাত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰে। এই কাৰ্যসূচীত সীমামূৰীয়া গাঁওসমূহৰ উন্নয়ন আৰু সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ বাবে বহনক্ষম কৰ্মসংস্থাপন সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ২০২৮-২৯ বিত্তীয় বৰ্ষ পৰ্যন্ত ৰূপায়ণ হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে ছহেজাৰ ৮০০ কোটিৰো অধিক ধন ধাৰ্য কৰা হৈছে। এই কাৰ্যসূচীয়ে সীমান্তৱৰ্তী অঞ্চলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সীমান্তৰে হোৱা অপৰাধ নিয়ন্ত্ৰণ আৰু অভ্যন্তৰীণ সুৰক্ষা সুদৃঢ় কৰাত অৰিহণা যোগাব বুলি আশা কৰা হৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নাটানপুৰত থকা বি এছ্ এফৰ সীমান্ত চকী পৰিদৰ্শন কৰে আৰু সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰে। ইয়াৰ পাছতে শ্ৰীশ্বাহ ত্ৰিপুৰাৰ আগৰতলালৈ ৰাওনা হয়। সন্ধিয়া তেঁও পুনৰ অসমলৈ উভতি আহিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো গৃহমন্ত্ৰীৰ এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

শ্ৰী শ্বাহে কাইলৈ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। তেওঁ লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ মুঠ ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হয়। কাছাৰ জিলাৰ ৩ হাজাৰ ৭০২গৰাকী, শ্ৰীভূমি জিলাৰ দুহেজাৰ ৩৯২গৰাকী আৰু হাইলাকান্দিৰ এহেজাৰ ১৭৯গৰাকী উদ্যমীয়ে এই আঁচনিৰ অধীনত আৰ্থিক সাহায্য লাভ কৰিছে। এই উপলক্ষে আজি শিলচৰৰ আই এছ্ বি টিত বিয়লি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্যকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

এই অনুষ্ঠানতে আজি অমৃত অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাছাৰ জিলাৰ পানীযোগান ব্যৱস্থাত নৱতম সংযোজন হিচাপে দুটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হয়। জিলাখনৰ লক্ষীপুৰ নগৰত ২০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা পানীযোগান প্ৰকল্পটো আজি উদ্বোধন কৰা হয়। এই প্ৰকল্পৰ জৰিয়তে লক্ষীপুৰ নগৰৰ

১০ টা ৱাৰ্ডত মুঠ চাৰি হাজাৰ নলযোগে খোৰাপানী সংযোগ স্থাপনৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ ফলত প্ৰায় দুহেজাৰ ৫৫ টা পৰিয়াল উপকৃত হ'ব। তদুপৰি অম্ৰুত অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ৩২ কোটি টকা ব্যয়সাপেক্ষে শিলচৰ পয়ঃপ্ৰণালী নিষ্কাশন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়।

ooooo

কলিয়াবৰৰ উলুৱনী বেঙেনাআটীত আজি মন্ত্ৰী কেশৱ মহন্তই চৰকাৰৰ জনকল্যাণমূলক আঁচনিৰ অধীনত ৫০ খন বিচনাযুক্ত আয়ুষ চিকিৎসালয় নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। এই চিকিৎসালয়ত আয়ুৰ্বেদ, যোগ, হোমিঅ'পেথিৰ দৰে ভাৰতীয় পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ বৈজ্ঞানিক দৃষ্টিভংগীৰ সংমিশ্ৰণত অঞ্চলটোৰ ৰাইজে চিকিৎসা সেৱা লাভ কৰিব। আধাৰশিলা স্থাপন অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তৰ লগতে সম জিলা আয়ুক্ত ৰাজ বৰুৱা, সহ আয়ুক্ত অভিজাত বৰা, চক্ৰ বিষয়া ৰাজনিশান শৰ্মাকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে।

ইপিনে, মন্ত্ৰী কেশৱ মহন্তই অসম চৰকাৰৰ আঁচনিৰ অধীনত কলিয়াবৰত নিৰ্মাণ হ'বলগীয়া আইন মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য্যৰ আধাৰশিলাও আজি স্থাপন কৰে। এই মহাবিদ্যালয়ৰ শিক্ষাৰ জৰিয়তে নতুন প্ৰজন্মই ন্যায়-নীতি, সংবিধানৰ মূল্যবোধ আৰু সামাজিক দায়িত্ববোধৰ বিষয়ে জ্ঞানৰ সুযোগ লাভ কৰিব বুলি আশা কৰা হৈছে।

-বাইট(কেশৱ মহন্ত)-

ooooo

দুদিনীয়া কাৰ্যসূচীৰে কালি অসমলৈ অহা নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা স্ক্ৰীনিং কমিটীৰ অধ্যক্ষ প্ৰিয়ংকা গান্ধীয়ে আজি পুৱাৰ ভাগত ৰাজ্যখনৰ সোণাপুৰস্থিত জুবিন ক্ষেত্ৰ পৰিদৰ্শন কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে শ্ৰীমতী গান্ধীক এই ভ্ৰমণত সংগ দিয়ে। জুবিন ক্ষেত্ৰত কংগ্ৰেছ নেত্ৰীগৰাকীয়ে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পাছতে তেওঁ ৰাজীৱ ভৱনলৈ আহে আৰু প্ৰদেশ কংগ্ৰেছৰ তিনিগৰাকী কাৰ্যকৰী সভাপতিৰ সৈতে বাৰ্তালাপ কৰে। পৰৱৰ্তী সময়ত শ্ৰীমতী গান্ধীয়ে অসম কংগ্ৰেছ কমিটীৰ বিভিন্ন কমিটী আৰু আৰু শাখাৰ নেতৃত্বৰ লগত মত-বিনিময় কৰে।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দ্বাৰা পৰহিলৈৰ পৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলাৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া এই মেলা ৮ মাৰ্চত সমাপ্ত হ'ব। গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা কাৰিকৰসকলৰ নিৰ্মিত সামগ্ৰীৰে চৰচ মেলাত ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ প্ৰদৰ্শন কৰা হ'ব।

ooooo

বিশ্বনাথ বিধানসভা সমষ্টিৰ গড়ভেটি মুখৰগড়ত প্ৰায় ৫০ লাখ টকা ব্যয় সাপেক্ষে হ'বলগীয়া ঘিলাধাৰী খহনীয়া প্ৰতিৰোধ প্ৰকল্পৰ আজি আধাৰশিলা স্থাপন কৰা হয়। বিধায়ক প্ৰমোদ বৰঠাকুৰে আধাৰশিলা কৰা এই প্ৰকল্পটোৰ জৰিয়তে অঞ্চলটোৰ নদীপাৰৰ খহনীয়া ৰোধ কৰাৰ লগতে স্থানীয় লোকসকলৰ জীৱন জীৱিকাৰ সুৰক্ষা নিশ্চিত কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

ooooo

কৃষি বিভাগ আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা চমুকৈ আত্মাৰ সহযোগত ৰাজ্যৰ বিভিন্ন স্থানত কৃষক মেলাৰ আয়োজন কৰা হৈছে। বিশ্বনাথ জিলাতো আজিৰে পৰা দুদিনীয়াকৈ কৃষক মেলা অনুষ্ঠিত হৈছে। এই মেলাত স্থানীয় কৃষকসকলৰ উৎপাদিত কৃষি সামগ্ৰীসমূহৰ প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। মেলাৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত সভাত কৃষি বিভাগ আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনাৰ অধীনত নিৰ্বাচিত মহিলা খাদ্য সুৰক্ষা গোটক চেক প্ৰদান কৰাৰ লগতে নিৰ্বাচিত কৃষকক কৃষি সঁজুলি আৰু বীমা পলিচী প্ৰদান কৰা হয়।

ooooo

ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অধীনৰ ৫১ গৰাকী বিভিন্ন ৰোগত আক্ৰান্ত ব্যক্তিক মুখ্যমন্ত্ৰী সাহায্য পুজিৰ অধীনত আজি চেক বিতৰণ কৰা হয়। স্থানীয় বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনে এই চেকসমূহ বিতৰণ কৰে।

০০০০০

বিশ্বনাথ বিধানসভা সমষ্টিৰ গড়ভেটি মুখৰগড়ত প্ৰায় ৫০ লাখ টকা ব্যয় সাপেক্ষে হ'বলগীয়া ঘিলাধাৰী খহনীয়া প্ৰতিৰোধ প্ৰকল্পৰ আজি আধাৰশিলা স্থাপন কৰা হয়। বিধায়ক প্ৰমোদ বৰঠাকুৰে আধাৰশিলা কৰা এই প্ৰকল্পটোৰ জৰিয়তে অঞ্চলটোৰ নদীপাৰৰ খহনীয়া ৰোধ কৰাৰ লগতে স্থানীয় লোকসকলৰ জীৱন জীৱিকাৰ সুৰক্ষা নিশ্চিত কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

০০০০০

সমাগত নিৰ্বাচনত ভোটগ্ৰহণ প্ৰক্ৰিয়া স্বচ্ছ, নিৰপেক্ষ আৰু বিশ্বাসযোগ্য কৰি তোলাৰ বাবে কাইলৈৰ পৰা ই ভি এম আৰু ভিভি পেটসমূহৰ অতিৰিক্ত প্ৰথম পৰ্য্যায়ৰ পৰীক্ষণ অনুষ্ঠিত হ'ব। পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ এই পৰীক্ষণ কৰা হ'ব। ইয়াৰ দ্বাৰা যন্ত্ৰসমূহৰ কাৰ্য্য ক্ষমতা আৰু নিৰ্ভৰযোগ্যতা পৰীক্ষা কৰি নিৰ্বাচনত ব্যৱহাৰৰ বাবে সম্পূৰ্ণৰূপে সাজু কৰি তোলা হ'ব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্য্যালয়ে নিয়োগ কৰা অভিযন্তাৰ দলে এই পৰীক্ষণ কৰিব। অতিৰিক্ত জিলা আয়ুক্ত অনসূয়া শৰ্মাৰ তত্বাৱধানত চিচি টিভি নিৰীক্ষণ আৰু লাইভ ৱেবকাষ্টিঙৰ জৰিয়তে এই পৰীক্ষণ  কৰা হ'ব।

০০০০০

ডিব্ৰুগড় জিলা মদাৰখাট মৌজাৰ মদাৰখাট হাটখোলা দিহিঙীয়া গাঁও নামঘৰৰ শতবৰ্ষ উপলক্ষে আয়োজিত তিনিদিনীয়া অনুষ্ঠাৰ আজি সামৰণি পৰে। অনুষ্ঠানৰ প্ৰথম দিনা ধৰ্মধ্বজা উত্তোলন কৰা হয়। দ্বিতীয় দিনা ভাগৱত ভ্ৰমণ শোভাযাত্ৰা উলিওৱা হয়। আজি পুৱা ধৰ্মীয় কাৰ্য্যসূচীৰ লগতে নাম-প্ৰসংগ, গায়ন-বায়নৰ উপস্থিতিত বিশিষ্ট ব্যক্তিসকলক আদৰণি আৰু সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শতবৰ্ষ উপলক্ষে প্ৰকাশ কৰি উলিওৱা এখন স্মৃতিগ্ৰন্থও আজি কানৈ বাণিজ্য মহাবিদ্যালয়ৰ উপাধ্যক্ষ শৈলেন গগৈয়ে উন্মোচন কৰে।

০০০০০

**সমাপ্ত**